# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date : 25-**12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি খাজুৰাহোত দেশৰ প্ৰথমটো অভিলাসী তথা বহুমুখী কেন-বেটৰা নদী আন্তঃসংযোগ ৰাষ্ট্ৰীয় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।
২।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত মুঠ ৭ টা শাখাত ১৭ টি শিশুক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰিব।
৩।	কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ পুছাত বহুমুখী প্ৰাথমিক কৃষি সমবায় সমিতি, দুগ্ধ আৰু মীন সমবায় সমিতি ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।
৪।	কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা আপত্তি তথা পেঞ্চন বিভাগৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙে আজি তৃণমূল পৰ্যায়ত প্ৰশাসন শক্তিশালী কৰাৰ উদ্দেশ্যে বিকশিত পঞ্চায়ত কৰ্মযোগী পদক্ষেপৰ শুভাৰম্ভ কৰে। ***আৰু***
৫।	উত্তৰাখণ্ডৰ নাইনিতাল জিলাৰ ভীমতালত আজি ৰাজ্যিক পৰিবহন নিগমৰ এখন যাত্ৰীবাহী বাছ দ' খাৰৈত বাগৰি পৰাৰ ফলত ৪ জন লোক নিহত হয়।

ooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবৰ্ষৰ  সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মধ্য প্ৰদেশৰ বিভিন্ন স্থানত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে খাজুৰাহোত ৪৪ হাজাৰ ৬০৫ কোটি টকা ব্যয়সাপেক্ষ দেশৰ প্ৰথমটো অভিলাসী তথা বহুমুখী কেন-বেটৰা নদী আন্তঃসংযোগ ৰাষ্ট্ৰীয় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।  ইয়াৰে নৰৈ শতাংশ কেন্দ্ৰীয় চৰকাৰে আৰু ১০ শতাংশ ব্যয় ৰাজ্য চৰকাৰে বহন কৰিব। এই প্ৰকল্পটোৱে ৮ লাখ হেক্টৰ  ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব। ইয়াৰ দ্বাৰা ১০ খন জিলাৰ ২ হাজাৰখন গাঁৱৰ ৭ লাখতকৈও অধিক কৃষক পৰিয়াল উপকৃত হ'ব। এই প্ৰকল্পটোৱে মধ্য প্ৰদেশৰ ১০ খন জিলাৰ ৪৪ লাখ জনসাধাৰণক খোৱাপানীৰ যোগান ধৰিব।  প্ৰকল্পটোৱে ১০৩ মেগাৱাট  জলশক্তিৰ লগতে ২৭ মেগাৱাট সৌৰশক্তি যোগান ধৰিব।

প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জয়ন্তীৰ লগত সংগতি ৰাখি  শ্ৰীমোদীয়ে দেশৰ প্ৰথমটো সৌৰ প্ৰকল্প ঔমকেশ্বৰত মুকলি কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে এহেজাৰ এশ ৫৩ টা অটল গ্ৰাম্য সুশাসন অট্টালিকাৰ আধাৰশিলা স্থাপন কৰাৰ লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰে। এই উপলক্ষে অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সুশাসন আমাৰ বাবে কেৱল মাত্ৰ এদিনীয়া কাৰ্যসূচী নহয়, বৰং বিজেপি চৰকাৰৰ এয়া এক পৰিচয়। অন্য দলৰ চৰকাৰৰ সৈতে বিজেপি দলৰ চৰকাৰৰ তুলনা কৰি শ্ৰীমোদীয়ে কয়, যে বিজেপি চৰকাৰে জনসাধাৰণৰ কল্যাণৰ  বাবে দিনে নিশাই  কঠোৰ শ্ৰম কৰি আহিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ স্মৃতি ৰোমন্থন কৰি শ্ৰীমোদীয়ে কয়, যে প্ৰয়াত বাজপেয়ী বিজেপি দলৰ বাবে সুশাসন আৰু উৎকৃষ্ট সেৱাৰ অনুপ্ৰেৰণাৰ উৎস। কংগ্ৰেছ দল

শাসনত থকা সময়ছোৱাত বিভিন্ন প্ৰকল্পৰ ভূৱা প্ৰতিশ্ৰুতি, ফিটাকটা, বন্তি প্ৰজ্বলন, ফটো উঠা আৰু কাকতত বিবৃতি প্ৰকাশ কৰাৰ বাহিৰে জনসাধাৰণ উপকৃত হ'ব পৰা কোনো ধৰণৰ কাম কৰা নাছিল বুলিও শ্ৰীমোদীয়ে তাৎপৰ্যপূৰ্ণ অভিযোগ কৰে। জল বিবাদ সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমোদীয়ে কয়, যে বিজেপি দলৰ শাসনকালত ৭ টা দশক পাছত বিভিন্ন ৰাজ্যৰ মাজত জল বিবাদৰ নিষ্পত্তি কৰিছে। কংগ্ৰেছ দল পঞ্চায়তৰ পৰা সংসদলৈকে ক্ষমতাত থকা কালত এই বিবাদ সহজে মিমাংসা কৰিব পাৰিলেহেঁতেন। কিন্তু কংগ্ৰেছে এই ক্ষেত্ৰত কোনো ইতিবাচক ভূমিকা গ্ৰহণ নকৰিলে। যেতিয়া অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত দেশত দেশত বিজেপি চৰকাৰ গঠন হ'ল, তেতিয়া তেওঁ পানীৰ সমস্যা  সমাধানত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। কিন্তু ২০০৪ চনত কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ শাসনলৈ অহাৰ সময়ত অটল বিহাৰী বাজপেয়ীয়ে গ্ৰহণ কৰা পূৰ্বৰ প্ৰচেষ্টা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে কোনো আগ্ৰহ নেদেখুৱালে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে।

বাবা চাহেব আম্বেদকাৰৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে  জল উৎস, জল পৰিচালনা, বান্ধ নিৰ্মাণ ক্ষেত্ৰত ভাৰতক শক্তিশালী কৰাৰ ক্ষেত্ৰত আম্বেদকাৰৰ লক্ষ্যৰ কথাও দোহাৰে। আম্বেদকাৰে ভাৰতৰ মুখ্য নদী প্ৰকল্পসমূহৰ উন্নয়নৰ ক্ষেত্ৰত পালন কৰা বিশেষ ভূমিকাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে ইয়াৰ আঁৰত তেওঁৰ শেহতীয়া ৰাষ্ট্ৰীয় জল আয়োগ গঠনৰ প্ৰচেষ্টাও নিহিত হৈ আছিল বুলি মন্তব্য কৰে। দেশৰ পৰ্যটন ক্ষেত্ৰৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশ বিদেশৰ পৰ্যটকসকলক পৰ্যাপ্ত সা-সুবিধা দিয়াৰ লগতে ভ্ৰমণ সহজ কৰি তোলাত চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। পৰ্যটন উদ্যোগক সমৃদ্ধ কৰিবলৈ চৰকাৰে বিদেশী পৰ্যটকক ই ভিছা প্ৰদানৰ আঁচনি গ্ৰহণ কৰিছে বুলিও উল্লেখ কৰে। মধ্য প্ৰদেশত আয়োজন কৰা এই অনুষ্ঠানত ৰাজ্যখনৰ ৰাজ্যপাল মংগুভাই পেটেল, মুখ্যমন্ত্ৰী ডং মোহন যাদৱ আৰু কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলো উপস্থিত আছিল।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত মুঠ ৭ টা শাখাত ১৭ টি শিশুক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰিব।  কলা-সংস্কৃতি, সাহসিকতা, উদ্ভাৱন, বিজ্ঞান আৰু প্ৰযুক্তি, সমাজ সেৱা, ক্ৰীড়া আৰু পৰিবেশ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দেশৰ ১৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ১৭ টি শিশুলৈ এই বঁটা আগবঢ়োৱা হ'ব। এই বঁটাত আছে এটা পদক, প্ৰমাণ পত্ৰ আৰু প্ৰশস্তিপত্ৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বীৰ বাল দিৱস উপলক্ষে দেশৰ ভৱিষ্যত শিশুসকলক সন্মান জনোৱাৰ উদ্দেশ্যে ভাৰত মণ্ডপমত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত উপস্থিত ৰাইজৰ আগত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাষণ দিয়াৰ লগতে তেওঁ সুপোচিত গ্ৰাম পঞ্চায়ত অভিযান মুকলি কৰিব।

এই দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাৰ্যসূচীৰ অংশ হিচাপে বিভিন্ন বিদ্যালয়, শিশু যতন কেন্দ্ৰ আৰু অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মাই গভ আৰু মাই ভাৰত পোৰ্টেলৰ জৰিয়তে অনলাইন কুইজ, গল্প কথন, সৃষ্টিশীল ৰচনা, পোষ্টাৰ আদিৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে নিৰ্বাচিত শিশুসকলো উপস্থিত থাকিব।

ooooo

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ পুছাত নতুনকৈ প্ৰতিষ্ঠিত ১০ হাজাৰৰো অধিক বহুমুখী প্ৰাথমিক কৃষি সমবায় সমিতি, দুগ্ধ আৰু মীন সমবায় সমিতি ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। শ্ৰীশ্বাহে নৱগঠিত সমবায় সমিতিসমূহক পঞ্জীয়নৰ প্ৰমাণ পত্ৰ, ৰূপে কিষাণ ক্ৰেডিট কাৰ্ড আৰু মাইক্ৰ' এটিএম বিতৰণ কৰে। এই বিত্তীয় আহিলাসমূহ পঞ্চায়তসমূহত ঋণ সেৱাসমূহ সহজেই লাভ কৰিব পৰাকৈ আৰু বিত্তীয় অন্তৰ্ভুক্তিত প্ৰসাৰিত কৰিবলৈ নিৰ্মাণ কৰা হৈছে।

এইবোৰৰ দ্বাৰা গ্ৰাম্য জনসাধাৰণ বিভিন্ন আঁচনিৰ দ্বাৰা উপকৃত হ'ব আৰু দেশৰ অৰ্থনৈতিক প্ৰগতিত অংশগ্ৰহণ কৰিব পাৰিব। অনুষ্ঠানত ভাষণ দি মন্ত্ৰী শ্বাহে কৈছে, যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সমবায় খণ্ডক প্ৰসাৰিত কৰি গ্ৰাম্য অৰ্থনীতিত নতুন শক্তি প্ৰদান কৰিছে। তেওঁ কয়, যে চৰকাৰে ৫ বছৰৰ নিৰ্ধাৰিত সময়তকৈ পূৰ্বেই ২ লাখ প্ৰাথমিক কৃষি ঋণ সমিতি স্থাপন কৰিব। এই পদক্ষেপসমূহৰ জৰিয়তে কৃষকৰ উৎপাদিত সামগ্ৰী সহজেই গোলকীয় বজাৰত প্ৰৱেশ কৰিবলৈ সমৰ্থ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। চৰকাৰে প্ৰাথমিক কৃষি ঋণ সমিতিক বহুমাত্ৰিক ৰূপত উপস্থাপন কৰি গৈছে আৰু সাৰ বিতৰণৰ সৈতে সংযোগ কৰিছে বুলিও মন্ত্ৰী শ্বাহে আজিৰ অনুষ্ঠানত মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে এই কথাও আলোকপাত কৰে যে, যেতিয়া দেশত আন্তঃগাথনিক অগ্ৰাধিকাৰ দিয়া হোৱা নাছিল তেতিয়াই প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে স্বৰ্ণিম চতুৰ্ভুজ মাৰ্গ উন্মোচন কৰিছিল।

ooooo

ৰাজহুৱা আপত্তি তথা পেঞ্চন বিভাগৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙে আজি সুশাসন দিৱসৰ দিনা তৃণমূল পৰ্যায়ত প্ৰশাসন শক্তিশালী কৰাৰ উদ্দেশ্যে বিকশিত পঞ্চায়ত কৰ্মযোগী পদক্ষেপৰ শুভাৰম্ভ কৰে। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলক প্ৰয়োজনীয় সঁজুলি আৰু উপাদানেৰে ফলপ্ৰসূ প্ৰশাসন ব্যৱস্থাৰ সামৰ্থ আৰু দক্ষতা বৃদ্ধি কৰাটোৱেই এই পদক্ষেপৰ মূল লক্ষ্য। এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানত মন্ত্ৰী শ্ৰীসিঙে কয় যে তৃণমূল পৰ্যায়ত দীৰ্ঘম্যাদী আৰু অৰ্থপূৰ্ণ পৰিৱৰ্তনৰ বাবে প্ৰশাসনিক সংস্কাৰৰ প্ৰয়োজন আছে। তেওঁ বিকশিত পঞ্চায়ত কৰ্মযোগী পদক্ষেপে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাত গুৰুত্ব প্ৰদান কৰিব বুলিও প্ৰকাশ কৰে।

ooooo

উত্তৰাখণ্ডৰ নাইনিতাল জিলাৰ ভীমতালত আজি ৰাজ্যিক পৰিবহন নিগমৰ এখন যাত্ৰীবাহী বাছ দ' খাৰৈত বাগৰি পৰাৰ ফলত ৪ জন লোক নিহত হয়। আৰক্ষীৰ সূত্ৰই জনোৱা মতে, বাছখনে পিথুৰাগড়ৰ পৰা হাল্দৱানিলৈ ২৮ গৰাকী যাত্ৰীক কঢ়িয়াই নিছিল। আহত ২৪ গৰাকী যাত্ৰীক হাল্দৱানিৰ শুশীলা তিৱাৰী হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ইয়াৰে ২১ গৰাকীৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাস্থলীত উদ্ধাৰ আৰু সাহায্য অভিযান চলি আছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে এই দুৰ্ঘটনাত গভীৰ দুখ প্ৰকাশ কৰিছে। তেওঁ আহতসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগতে আহত লোকসকলৰ উন্নত চিকিৎসা প্ৰদানৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে।

কেবিনেট মন্ত্ৰী ৰেখা আৰ্য্যই আহত লোকসকলক হাস্পতালত সাক্ষাৎ কৰাৰ লগতে তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়। তেওঁ আহত লোকসকলক উপযুক্ত চিকিৎসা প্ৰদানৰ বাবে হাস্পতাল কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ooooo

কাজাখস্তানত আজি প্ৰায় ৭০ জন যাত্ৰী কঢ়িয়াই নিয়া বিমান এখন দুৰ্ঘটনাগ্ৰস্ত হৈ প্ৰায় ৩০ জন লোকৰ মৃত্যু হয়। কাজাখস্তানৰ আকতাউ চহৰৰ ওচৰত জৰুৰীকালিন অৱতৰণৰ সময়ত আজাৰবাইজান এয়াৰলাইন্সৰ বিমানখন অগ্নিদগ্ধ হয় বুলি আজাৰবাইজানৰ কৰ্তৃপক্ষই জনাইছে। বিমানখন ৰাচিয়াৰ গ্ৰ'জনিলৈ গৈ আছিল যদিও ঘন কুঁৱলিৰ বাবে বিমানখনৰ পথৰ পৰিৱৰ্তন কৰা হৈছিল বুলি বিমান সংস্থাটোৱে সংবাদ মাধ্যমক জনাইছে।

ooooo

সমাপ্ত